# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-02-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰে কাইলৈ গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত আয়োজন কৰা ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী**ৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে কাইলৈ বিয়লি ৪ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত হ'বলগীয়া এই অভিনৱ অনুষ্ঠানৰ চূড়ান্ত আখৰা আজি সন্ধিয়া ৰাজ্যৰ জনসাধাৰণে উপভোগ কৰিব পাৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি আখৰাস্থলী পৰিদৰ্শন কৰি অনুষ্ঠানৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতিৰ বুজ লয়। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত অংশ লোৱা প্ৰতিগৰাকী শিল্পীক ২৫ হাজাৰ টকাকৈ আৰু বিশেষজ্ঞ দলৰ প্ৰতিজন সদস্যক ৩০ হাজাৰ টকাকৈ দিয়া হ'ব বুলি ঘোষণা কৰে। তদুপৰি চাহ বাগিচাৰ ভিতৰত সাংস্কৃতিক কাৰ্যকলাপ প্ৰচাৰৰ বাবে সংঘ স্থাপন কৰিবলৈ প্ৰতিখন চাহ বাগিছালৈ ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ৰাজ্যৰ প্ৰায় ৯ হাজাৰ শিল্পীয়ে ভাগ লোৱা এই অনুষ্ঠান সফল কৰি তোলাৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই অহা প্ৰতিগৰাকী শিল্পী আৰু কলা-কুশলীক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

তেজপুৰ বিশ্ববিদ্যালয়ত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ভাৰতীয় ইতিহাস সংকলন সমিতি অসমৰ ৩৫ সংখ্যক ৰাজ্যিক অভিৱৰ্তন আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হৈছে। প্ৰথম দিনৰ কাৰ্যসূচীত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে অংশ লয়। অনুষ্ঠানত ভাষণ প্ৰসংগত তেওঁ কয়, যে অসমৰ ইতিহাসক বাদ দি ভাৰতৰ ইতিহাস কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। এই সমৃদ্ধিশালী ইতিহাসৰ বিষয়ে জনাৰ পৰা আজিও বহুলোক বঞ্চিত হৈ আছে বুলি তেওঁ উল্লেখ কৰে।

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে এই সন্মিলনৰ জৰিয়তে বিদেশী বিনিয়োগকাৰীয়ে অসমত বিনিয়োগ কৰিব। এনে সাম্ভাব্য বিনিয়োগৰ ফলত ৰাজ্যখন উপকৃত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ **আমাৰ গাঁও-আমাৰ গৌৰৱ** আঁচনিৰ ৩ নম্বৰ গোটৰ উদ্যোগত কালি উত্তৰ-পশ্চিম যোৰহাটৰ নামদেউৰী গাঁৱত বৈজ্ঞানীক ভিত্তিত কাঠফুলা খেতি সন্দৰ্ভত সজাগতা সভা আৰু সামগ্ৰী বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। কাঠফুলা খেতিৰ জৰিয়তে জীৱিকা অৰ্জন আৰু এই খেতি জনপ্ৰিয় কৰি তোলাৰ লক্ষ্যৰে হোৱা এই কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলক উদ্যোগীকৰণৰ সম্ভাৱনাৰ বিষয়ে অৱগত কৰোৱা হয়। অনুষ্ঠানটোত কাঠফুলাৰ খেতি কৰিবলৈ অত্যাৱশ্যকীয় সামগ্ৰী যেনে মাছৰুম বেগ, ছেড নেট, টাৰ্পলিন আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰা হয়।

০০০০০০

ডিব্ৰুগড়ত কালি মটক স্বায়ত্তশাসিত পৰিষদৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। কালি দিৱসৰ অনুষ্ঠানত অংশ লৈ চাবুৱাৰ বিধায়ক পোনাকন বৰুৱাই অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত মটকসকলৰ অৱদানৰ বিষয়ে উল্লেখ কৰে। ২০২১ চনৰ ২২ ফেব্ৰুৱাৰীত চৰকাৰে ঘোষণা কৰা অন্তৰ্বৰ্তীকালীন পৰিষদখনৰ সদস্যসকলে শপত গ্ৰহণ কৰিছিল। এই দিনটো উদযাপনৰ অংশ হিচাপে কালি সভাৰ আয়োজন কৰাৰ লগতে মটকসকলৰ লোকনৃত্য কুলাবুঢ়ী নাচ আৰু গাভৰু বিহু পৰিৱেশন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে মটক ৰজা সৰ্বানন্দ সিংহৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰা হয়। অনুষ্ঠানত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, মৰাণ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণকে ধৰি ভালে সংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

oooooo

ৰাজ্যৰ কৃষি বিভাগে তৃতীয়বাৰৰ বাবে প্ৰতি কুইণ্টলত ৫ হাজাৰ ৯৫০ টকাৰ ন্যূনতম সমৰ্থন মূল্যত খেতিয়কসকলৰ পৰা সৰিয়হ ক্ৰয়ৰ ব্যৱস্থা কৰিছে। অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদ, অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড আৰু অসম ৰাজ্যিক পন্যাগাৰ নিগমৰ জৰিয়তে সৰিয়হ ক্ৰয় কৰা হ'ব। কৃষি বিভাগে অহা ২৫ ফেব্ৰুৱাৰীৰ পৰা ২৫ মে' লৈ ক্ৰয়ৰ সময়সীমা নিৰ্ধাৰণ কৰিছে। কৃষকসকলে সৰিয়হ বিক্ৰীৰ বাবে ই-সমৃদ্ধি প'ৰ্টেলত পঞ্জীয়ন হোৱাটো বাধ্যতামূলক। ইয়াৰ লগতে জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ পৰা কৃষক প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰিব লাগিব। কৃষক প্ৰমাণ-পত্ৰৰ লগতে আধাৰকাৰ্ড, বেংক পাছবুকৰ প্ৰতিলিপি আৰু মোবাইল নম্বৰ সংশ্লিষ্ট কৰ্তৃত্বশীল বিষয়াৰ ওচৰত জমা দিব লাগিব।

oooooo

শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু মেলা ২৫ ফেব্ৰুৱাৰীৰ পৰা ৪ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জিলা প্ৰশাসনে এই পূজা আৰু মেলা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোত শিৱৰাত্ৰি উদযাপন সমিতিয়ে চি চি টিভি কেমেৰা সংস্থাপনৰ ব্যৱস্থা কৰিছে। ২৫ ফেব্ৰুৱাৰীৰ বিয়লি উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী যোগেন মহন, বিধায়ক অখিল গগৈ, সাংসদ গৌৰৱ গগৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। ২৬ ফেব্ৰুৱাৰীৰ সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীৰ অংশ হিচাপে ভাওনা প্ৰদৰ্শন কৰা হ'ব। ২৭ ফেব্ৰুৱাৰীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিৱসাগৰ দৌল উন্নয়ন পৰিষদৰ দ্বাৰা প্ৰকাশিত স্মাৰক গ্ৰন্থ মুক্তিনাথ উন্মোচন কৰিব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। ২৮ ফেব্ৰুৱাৰীৰ সামৰণি অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থকাৰ কথা।

oooooo

গোলাঘাট জিলা বাথৌ মহাসভাৰ নৱম সংখ্যক ত্ৰিবাৰ্ষিক অধিৱেশন অহা ১৯ আৰু ২০ মাৰ্চত বৰ্ণাঢ্য কাৰ্যসূচীৰে সৰুপথাৰ সম-জিলাৰ মধ্যমপুৰ বাথৌ থানসালি বাকৰিত অনুষ্ঠিত হ'ব। এই অধিৱেশন সুচাৰুৰূপে সম্পন্ন কৰাৰ লক্ষ্যৰে কালি অভ্যৰ্থনা সমিতিৰ কাৰ্যালয়টো উদ্বোধন কৰা হয়। বড়ো-কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰীয়ে কাৰ্যালয়টো উদ্বোধন কৰে।

oooooo

সমাপ্ত